অধ্যায় ৩ ঃ মাধৱ কন্দলিৰ *ৰামায়ণ*ৰ কাব্যাংশঃ ৰাৱণৰ অহঙ্কাৰ

অধ্যায় গাঁথনি

3.1 উদ্দেশ্য

3.2 পৰিচয়

3.3 মাধৱ কন্দলিৰ পৰিচয়

3.3.1 কন্দলিৰ সাহিত্য-কৃতি

3.4 ৰাৱণৰ অহঙ্কাৰ কাব্যাংশ আৰু ৰাৱণ চৰিত্ৰ

3.4.1 মূল পাঠ

3.4.2 পাঠৰ কথাবস্তুৰ পৰিচয়

3.4.3 মাধৱ কন্দলিৰ অনুবাদ-ৰীতি

3.4.4 মাধৱ কন্দলিৰ *ৰামায়ণ*ৰ বৈশিষ্ট্য

3.5 ৰাৱণ চৰিত্ৰৰ মনস্তাত্ত্বিক বিশ্লেষণ

3.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

3.7 অধিক জানিবলৈ

3.8 অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

3.9 আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পুৰণি অসমীয়া কবিতা সম্পৰ্কে এটি ধাৰণা লাভ কৰিব
- প্ৰাক্-শঙ্কৰী যুগৰ শ্ৰেষ্ঠ অসমীয়া কবি মাধৱ কন্দলিৰ বিষয়ে আলোচনা দাঙি ধৰিব পাৰিব
- মাধৱ কন্দলিৰ *ৰামায়ণ*ৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিব পাৰিব
- পাঠটিৰ আধাৰত ৰাৱণ চৰিত্ৰৰ বিশ্লেষণ আগবঢ়াব পাৰিব
- মাধৱ কন্দলিৰ অনুবাদ-ৰীতি সম্পৰ্কে আলোচনা কৰিব পাৰিব
- মাধৱ কন্দলিৰ কাব্য-প্ৰতিভা সম্পৰ্কে ধাৰণা লাভ কৰিব পাৰিব।

৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত উদ্ভৱকালীন অসমীয়া ভাষা-সাহিত্যৰ পৰিচয়জ্ঞাপক চৰ্যাপদৰ বিষয়ে আলোচনা কৰা হ'ল। এই অধ্যায়টোত আমি প্ৰাক্-শঙ্কৰী যুগৰ 'অপ্ৰমাদী' কবি মাধৱ কন্দলিৰ দ্বাৰা ৰচিত *ৰামায়ণ*ৰ অন্তৰ্গত *ৰাৱণৰ অহঙ্কাৰ*পাঠটোৰ আলোচনা অন্তৰ্ভুক্ত কৰা হ'ল।

প্রাক্-শঙ্কৰী যুগ (1300–1490 খ্রীঃ)টো প্রকৃত অসমীয়া লিখিত সাহিত্যৰ উদ্ভৱৰ যুগ। এই যুগত ৰজাঘৰীয়া পৃষ্ঠপোষকতাৰ লোকশিক্ষাৰ উদ্দেশ্যে মহাকাব্যসমূহ বা তাৰ অংশ অসমীয়া ভাষালৈ ভাঙনি কৰোৱা হৈছিল। এই যুগৰ পাঁচগৰাকী কবিৰ ভিতৰত মাধৱ কন্দলি হৈছে শ্রেষ্ঠ। মাধৱ কন্দলিৰ *ৰামায়ণ* সমগ্র উত্তৰ-পূব ভাৰতৰ প্রান্তীয় ভাষাৰ ভিতৰতেই প্রথম অনূদিত *ৰামায়ণ*। তদুপৰি বিভিন্ন স্বকীয় বৈশিষ্ট্যৰে কন্দলি-ৰামায়ণে ৰামায়ণী সাহিত্যত বিশিষ্ট স্থান লাভ কৰিছে। এই অধ্যায়ত আমি মাধৱ কন্দলিৰ সাহিত্য-কৃতি, তেওঁৰ অনূদিত *ৰামায়ণৰ* বৈশিষ্ট্য আৰু মূল পাঠ *ৰাৱণৰ অহঙ্কাৰৰ* আধাৰত ৰাৱণ চৰিত্রৰ বিষয়ে আলোচনা কৰিমহঁক।

৩.৩ মাধৱ কন্দলিৰ পৰিচয়

প্রাক্-শঙ্কৰী যুগটো প্রকৃতার্থত অসমীয়া লিখিত কবিতাৰ উদ্ভৱৰ যুগ। এই যুগৰ কবিকুলৰ ভিতৰত দিবাকৰৰ দৰে জ্বাজ্বল্যমান, শ্রেষ্ঠতম কবিগৰাকী হৈছে মাধৱ কন্দলি। তেওঁৰ কাব্য-প্রতিভাত মুগ্ধ হৈ সমসাময়িক সমাজে তেওঁক 'কবিৰাজ' উপাধিৰে বিভূষিত কৰিছিল। শঙ্কৰদেৱেও 'পূর্বকবি অপ্রমাদী মাধৱ কন্দলি আদি' বুলি সশ্রদ্ধ প্রশংসা কৰি গৈছে। সেয়েহে, বিশিষ্ট সমালোচক শশী শর্মাই প্রাক্-শঙ্কৰী যুগটোক 'কন্দলি যুগ' বুলি নামকৰণ কৰিছে। এইখিনিতে এটি প্রশ্নৰ উদয় হয়— 'আদি' শব্দৰে শঙ্কৰদেৱে কি কথা ক'ব খুজিছে? ইয়াৰ উত্তৰত শশী শর্মাই কৈছে, "মাধৱ কন্দলি অসমীয়া লিখিত সাহিত্যৰ ইতিহাসত যথার্থতেই 'আদি কবি'। 'আদি' শব্দৰ দুটা বহল অর্থ আছে— (1) পহিলা বা প্রথম আৰু (2) শ্রেষ্ঠ। মাধৱ কন্দলি অসমীয়া সাহিত্যত এই দুয়োটা সন্মানৰেই যোগ্য। কন্দলিয়ে *ৰামায়ণ* ৰচনা কৰাৰআগতে আন কোনোৱে নিশ্চিত অসমীয়াত কিবা ৰচনা কৰিছিল নে নাই, সেই বিষয়ে কোনো সিদ্ধান্তলৈ আহিব পৰা হোৱা নাই। চর্যাগীতকে ধৰি যিখিনি সাহিত্যক কন্দলিৰ পূর্বৰ ৰচনা বুলি ধৰা হয়, সেইখিনি ৰচনাক ভাষাবিদ, সাহিত্য সমালোচক বাণীকান্ত কাকতিয়ে সঠিকভাবেই প্রাক্-অসমীয়া—প্রাক্-বাঙালী যুগৰ অপভ্রংশ প্রাকৃতত ৰচনা কৰা বুলি অভিহিত কৰিছে। মাধৱ কন্দলিৰ প্রায় সমকালীন বা অলপ পিছৰ কবি হৰিবৰ বিপ্র, হেম সৰস্বতী, কবিৰত্ন সৰস্বতী, ৰুদ্র কন্দলি প্রভৃতি কবিৰ ৰচনাৰ ভাষা মাধৱ কন্দলিতকৈ অর্বাচীন হোৱা হেতুকে তেওঁলোকক অসমীয়া লিখিত সাহিত্যৰ আদি বা প্রথম কবি-সাহিত্যিক বুলি স্বীকৃতি দিব নোৱাৰি। স্বয়ং শঙ্কৰদেৱে মাধৱ কন্দলিক 'আদি কবি' ৰূপে স্বীকৃতি দিয়া কথালৈ লক্ষ্য কৰিলেও সহজে অনুভৱ কৰিব পাৰি যে কবি কন্দলিহে অসমীয়া লিখিত সাহিত্যৰ *আদি* বা সাহিত্য সমালোচক শশী শর্মাৰ ভাষাতো 'পহিলা কবি' আছিল।

উল্লিখিত 'পঞ্চকবি'ৰ কোনগৰাকী আদি কবি আছিল, তাক সঠিককৈ নিৰূপণ কৰাটো সম্ভৱ হোৱা নাই।

প্রাক্-শঙ্কৰী যুগৰ অন্য কবিৰ দৰে মাধৱ কন্দলিয়েও সাহিত্যৰ মাজত আত্মপৰিচয়সূচক ভণিতা পেলাইছে—

"কবিৰাজ কন্দলিযে আমাকেসে বুলিৱয়
কৰিলোহো সর্বজনবোধে।

ৰামায়ণ সুপয়াৰ শ্ৰীমহামাণিক্য যে
ৰৰাহ ৰাজাৰ অনুৰোধে।।"(লঙ্কাকাণ্ড, 6710)

মাধৱ কন্দলিয়ে নিজে কৈ যোৱা উক্ত কথাখিনিৰ বাদে তেওঁৰ আত্মপৰিচয়সূচক উক্তি এতিয়ালৈকে উদ্ধাৰ হোৱা নাই। গতিকে, এই ক্ষেত্ৰত ভিন্ন উৎসৰ ভিন্ন সমলৰ সহায় ল'ব লগা হয়। কিন্তু তেনে সমলো যথেষ্ট মাত্ৰাত পোৱা নাযায়। শঙ্কৰদেৱে *উত্তৰকাণ্ড* ৰচনাত কৈছে—

"পূৰ্বকবি অপ্ৰমাদী মাধৱ কন্দলি আদি
ৰিৰচিলা পদে ৰামকথা।
হস্তীৰ দেখিয়া লাদ শশা যেন ফাৰে মাৰ্গ
মোৰ ভৈল তেহ্ন অৱস্থা।" (*উত্তৰকাণ্ড*, 7041)

আনহাতে, *কথা-গুৰুচৰিতত* দুটি প্ৰসঙ্গত মাধৱ কন্দলিৰ প্ৰসঙ্গ উত্থাপন হোৱা দেখা যায়। শঙ্কৰদেৱক ওজা-ছাত্ৰ পতাৰ প্ৰসঙ্গত আছে—"তাকে নসৈ ছাত্ৰ ভাগি মাধৱ কন্দলিৰ শিষ্য ৰাম আচাৰ্য্যত কলে গৈ।" (কথা-গুৰুচৰিত, পৃঃ 33)

ওপৰত উল্লেখ কৰি অহা সমল কেইটাৰ পৰা দেখা যায় যে মাধৱ কন্দলি শঙ্কৰদেৱতকৈ আগৰ কবি আৰু তেওঁ ৰৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতা লাভ কৰি লোকশিক্ষাৰ বাবে অসমীয়া ভাষাত *ৰামায়ণ* অনুবাদ কৰিছিল। পণ্ডিতসকলে উক্ত সূত্ৰসমূহৰ আধাৰত ৰৰাহী ৰজা মহামাণিক্যৰ সময় নিৰ্ধাৰণ কৰিবলৈ প্ৰয়াস কৰি কবিগৰাকীৰ স্থান আৰু কালৰ আনুমানিক সিদ্ধান্ত প্ৰদান কৰিছে। তলত সেই সিদ্ধান্তবোৰ আমি আলোচনা কৰিম—

ক) বিশিষ্ট পণ্ডিত শশী শৰ্মাই *কথা-গুৰুচৰিতত* উল্লেখ থকা কথাখিনিৰ আলম লৈ কৈছে—"মহেন্দ্ৰ কন্দলি আছিল ৰৱদোৱাৰ, গতিকে ৰাঘৱাচাৰ্য্য আৰু ৰাঘৱাচাৰ্য্যৰ গুৰু মাধৱ কন্দলিও নিশ্চয় ৰৱদোৱা অঞ্চলৰেই আছিল। এই উদ্ধৃতাংশৰ পৰা মাধৱ কন্দলিক শঙ্কৰদেৱৰ তিনিপুৰুষ আগৰ কবি বুলিও জনা যায়; কাৰণ শঙ্কৰদেৱৰ গুৰু মহেন্দ্ৰ কন্দলি, সম্ভৱ মহেন্দ্ৰ কন্দলিৰ গুৰু ৰাঘৱাচাৰ্য্য আৰু ৰাঘৱাচাৰ্য্যৰ গুৰু আছিল মাধৱ কন্দলি। অনুসন্ধিৎসু মাত্ৰেই জানে যে মধ্যযুগত একোজন পুৰুষৰ বয়সৰ পাৰ্থক্য 40–50 বছৰ ধৰা হৈছিল। সেই অনুপাতে বিচাৰ কৰিলে দেখা যায় যে মাধৱ কন্দলি শঙ্কৰদেৱতকৈ 120–150 বছৰ আগৰ মানুহ আছিল। শঙ্কৰদেৱৰ জন্ম 1449 খ্ৰীঃত। গতিকে মাধৱ কন্দলিৰ জন্ম 1299 খ্ৰীঃৰ পৰা 1329 খ্ৰীঃৰ ভিতৰত হৈছিল বুলি অনুমান কৰিব পাৰি। মাধৱ কন্দলিৰ জন্মস্থান আৰু জন্মকালৰ বিষয়ে ই হ'ল এক নিৰ্ভৰযোগ্য অনুমান।"

খ) মাধৱ কন্দলিৰ *ৰামায়ণৰ* প্ৰথম সম্পাদক মাধৱ চন্দ্ৰ ৰৱদলৈৰ মতে—"ৰৰাহী বুলি পৰিচয় দিয়া কছাৰী-ৰাজবংশই খ্ৰীষ্টিয় 12শ শতিকাৰ পৰা 14শ শতিকাৰ ভিতৰত ৰাজত্ব কৰিছিল জয়ন্তাপুৰ, বৰ্তমানৰ নগাঁও জিলালৈকে বিস্তৃত ৰাজ্যত। মহামাণিক্য এই ৰৰাহী ৰাজবংশৰেই ৰজা, তেওঁৰ ৰাজত্ব কাল আনুমাণিক 14শ শতিকাৰ আদিভাগ।"

গ) বিশিষ্ট পুৰাতাত্ত্বিক হেমচন্দ্ৰ গোস্বামীদেৱে কছাৰী-ৰৰাহীসকলৰ ৰাজত্বৰ বিষয়ে আলোচনা দাঙি ধৰিছে। তেওঁৰ মতে, "বীৰহাস ৰজাৰে সেই ফৈদৰ ৰাজত্ব আৰম্ভ হৈছিল আৰু

মহামাণিক্যফাৰে পৰিণতি ঘটিছিল। সেই বংশৰ মহামাণিক্যফাই (1250–1280 শকাব্দ) পাটহেৰম্বত ৰাজধানী পাতি ৰাজত্ব কৰিছিল বুলি মত দাঙি ধৰিছে।" এইগৰাকী মহামাণিক্যফাকে মাধৱ কন্দলিৰ পৃষ্ঠপোষক আছিল বুলি তেওঁ ক'ব বিচাৰিছে।

ঘ) সাহিত্য সমালোচক ডিম্বেশ্বৰ নেওগে, *A New Light on the History of Asamiya Literature*ত মহামাণিক্যৰ বিষয়ে আলোচনা কৰি কৈছে যে "পুৰণি পালবংশী ৰজাসকলৰ ভিতৰত ইন্দ্রপাল আৰু ধর্মপাল ৰজাই নিজক বৰাহ বা শ্রীবৰাহ বুলি পৰিচয় দিছিল। এসময়ত এই বংশৰ ৰজাসকলে হেনো কপিলী উপত্যকালৈ ৰাজ্য বিস্তাৰ কৰিছিল। নেওগে মহামাণিক্যক এই পালবংশৰ কোনো এজন ৰজা বুলিহে ক'ব বিচাৰিছে।

ঙ) বাণীকান্ত কাকতিয়ে *Assamese Its Formation and Development* গ্রন্থত মাধৱ কন্দলিৰ *ৰামায়ণৰ* ভাষাৰ ভেটিত আলোচনা কৰি মত দাঙি ধৰিছে যে মাধৱ কন্দলিৰ *ৰামায়ণৰ* ভাষা কোনোপধ্যেও চতুর্দশ শতিকাৰ পিছৰ হ'ব নোৱাৰে।

চ) সত্যেন্দ্রনাথ শর্মাৰ ভাষাত— "ৰৰাহ বা বাৰাহ ৰজা সম্ভৱতঃ বৃহৎ মঙ্গোলীয় প্রজাতিৰ কছাৰী শাখাৰ এটা ঠেঙুলি আছিল আৰু তেওঁলোক ৰৰাহী নামে পৰিচিত হৈছিল। এই ঠেঙুলিটোৱে প্রাচীন অসমৰ ৰজাসকলৰ দৰে ভগৱানৰ ৰৰাহ অৱতাৰৰ লগত উৎপত্তি দেখুৱাবলৈ 'বাৰাহ' বা 'ৰৰাহী' বুলি চিনাকি দিছিল। এওঁলোকৰ ৰজা সকলে হিন্দু সংস্কৃতি গ্রহণ কৰি কপিলী উপত্যকাৰ ডবকা, যোগীজান অঞ্চলত ত্রয়োদশ-চতুর্দশ শতিকাত এটা উন্নত হিন্দু সভ্যতা গঢ়ি তোলাত সহায় কৰিছিল আৰু ৰজাসকলে 'মাণিক্য' উপাধি গ্রহণ কৰিছিল। এই ঠালৰে আন এটা শাখাই প্রথমতে ৰৰাক উপত্যকাত আৰু পাছত ত্রিপুৰা অঞ্চলতো ৰাজত্ব কৰিছিল। সৌ সিদিনালৈকে, অর্থাৎ, ত্রিপুৰা ৰাজ্য ভাৰত চৰকাৰে অধিগ্রহণ কৰাৰ আগলৈকে ৰজাসকলে 'মাণিক্য' উপাধি গ্রহণ কৰি আছিল। মাধৱ কন্দলি সম্ভৱতঃ নগাঁও অঞ্চলৰে লোক আছিল। নগাঁও অঞ্চলত থকা কন্দলি মৌজাই মাধৱ কন্দলি তাৰ লোক বুলি প্রমাণ নকৰিলেও আন প্রমাণৰ লগতে সহায়কাৰী গৌণ প্রমাণ ৰূপে গ্রহণ কৰাত বাধা নাই। মহামাণিক্যৰ চতুর্দশ শতাব্দীৰ এখন ফলিত উদ্ধাৰ হৈছে।"



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ মাধৱ কন্দলিৰ সময় সম্পর্কে এটি চমু আলচ যুগুত কৰক। (150টা শব্দৰ ভিতৰত লিখক।)

৩.৩.১ কন্দলিৰ সাহিত্য-কৃতি

মাধৱ কন্দলি প্রাক্-শঙ্কৰী যুগৰ এগৰাকী বিশিষ্ট কবি আছিল। কন্দলিয়ে বাল্মীকি *ৰামায়ণ* অসমীয়ালৈ অনুবাদ কৰি পূর্ণাঙ্গ অনুবাদৰ শুভাৰম্ভ কৰে—

"সপ্তকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো।" (*লঙ্কাকাণ্ড*, 6685)

মন কৰিবলগীয়া কথা যে কন্দলিৰ *ৰামায়ণৰ আদি* আৰু *উত্তৰকাণ্ড* ক্ৰমে মাধৱদেৱ আৰু শঙ্কৰদেৱৰ নামতহে প্ৰচলিত হোৱা দেখা যায়। মাধৱ কন্দলিয়ে নিজে ঘোষণা কৰি দিয়া হিচাপত হয়তো *সপ্তকাণ্ড ৰামায়ণ*ৰচনা কৰিছিল, কিন্তু সময়ত সেয়া হয়তো হেৰাই গ'ল বা নষ্ট হ'ল।এই প্ৰসঙ্গটো *কথা-গুৰুচৰিত*ত এইদৰে উল্লেখ আছে— "মাধৱ কন্দলিৰ কবিতা *ৰামায়ণ*ঢাকি তুচকৈ গুচাবৰ মন দিলে অনন্ত কন্দলিয়ে। তেহে গুৰুজনাত বিপ্ৰে স্বপ্নত শৰণাপন্ন হৈ প্ৰাৰ্থিলে বৰৰ হেতু। পাছে গুৰুজনে বোলে বৰা পো, তোমাৰ মিতাৰ শাস্ত্ৰ কবিতা যে গুচাব খোজে, আমি ধৰোঁ গোৰত, তুমি হোৱা আগে। তেহে ৰ'ল, উপদেশ আচুফুল হ'ল। আগে উপদেশ নাই শুভ শুভ হে আছিল আধ্যাত। ছোট আতা দিছে।"

*কথা-গুৰুচৰিত*ৰ উক্ত কথাখিনিৰ পৰা তিনিটা কথা জল্‌জল্‌-পট্‌পট্‌কৈ ওলাই পৰে—

1) মাধৱ কন্দলি নিশ্চিতভাৱে শঙ্কৰদেৱৰ পূৰ্ব কবি আছিল।
2) অনন্ত কন্দলিয়ে বৈষ্ণৱ *ৰামায়ণ* ৰচনা কৰিবলৈ লোৱাত বৈষ্ণৱ সমাজত মাধৱ কন্দলিৰ *ৰামায়ণৰ* সমাদৰ কমি যাব বুলি আশঙ্কা কৰি হয়তো মাধৱদেৱ আৰু শঙ্কৰদেৰে ক্ৰমে *আদিকাণ্ড* আৰু *উত্তৰকাণ্ড* ৰচনা কৰি কন্দলিৰ *ৰামায়ণত* সংযোগ কৰে। গতিকে, শঙ্কৰদেৱৰ পূৰ্বতেই কন্দলিৰ *ৰামায়ণত* উক্ত কাণ্ড দুটা পোৱা নগৈছিল বুলি ক'ব পাৰি।
3) বাল্মীকিৰ *ৰামায়ণৰ* দৰেই কন্দলিৰ *ৰামায়ণো* আছিল মূলতঃ লৌকিক। বৈষ্ণৱ কবি 'ছোট আতা' মাধৱদেৰে কন্দলিৰ *ৰামায়ণত* হাত ফুৰাই বৈষ্ণৱীয় বা ভক্তিৰ উপদেশ পৰৱৰ্তী কালত সংযোগ কৰিছিল।

মাধৱ কন্দলিৰ নামত *দেৱজিৎ* নামে আন এখন বৈষ্ণৱ কাব্য পোৱা যায়। *ৰামায়ণৰ* লৌকিকতাৰ সলনি *দেৱজিৎ*কাব্যত অলৌকিকতাৰ পয়োভৰ বেছি। তদুপৰি *ৰামায়ণৰ* ভাষাৰ লগত *দেৱজিৎ*কাব্যৰ ভাষা বহু পৰিমাণে অমিল বুলি পণ্ডিতসকলে ক'ব খোজে। উক্ত কাৰণ দুটাৰ বাবেই *দেৱজিৎ*খন অইন কোনো কবিৰ ৰচনা বুলিহে বহু সমালোচকে ক'ব খোজে।

৩.৪ *ৰাৱণৰ অহঙ্কাৰ* কাব্যাংশ আৰু ৰাৱণ চৰিত্ৰ

৩.৪.১ মূল পাঠ

ৰাৱণৰ অহঙ্কাৰ

ছবি

আকাশে থাকিয়া মই ধনুত জুৰিবো শৰ
স্বৰ্গপুৰ ফুৰিবোহো বলে।

পৃথিৱীক ঝঙ্কাৰিয়া জলৰ তলক নিবো
পৰ্ব্বতক তুলিবো সকালে।।
বায়ুৰ পথক ভেদি সূর্য্যপথ নিৰোধিবো
মুদিবোহো চন্দ্ৰৰ পথক।
পাতালক বিদাৰিবো নাগৰ লোকক মাৰি
শোষিবোহো সাতো সাগৰক।।
তুষিবোহো ৰাক্ষসক তুষি বন্ধু সমস্তক
বৈৰসব নিদলিবো যত।
জ্বলিবোহো অগ্নিসম ক্ৰোধসব সাফলিয়া
ত্ৰৈলোক্যক উচ্ছেদো সমস্ত।।
যতেক দেৱতা দেখি সব মান সাৰিবোহো
যমক জিনিবো ঘোৰ ৰণে।
বাসৱক জিনি মই অমৰাৱতী বিধ্বংসিবো
মোক যুজিবেক কোনজনে।।
বৰুণক যুজে জিনি নাগপাশ কাঢ়ি লৈবো
অগনিক জিনিবো সংগ্ৰামে।
কুবেৰ দদাক যিনি পুষ্পক বিমান নিলো
মোক কি কৰিবে তোৰ ৰামে।।
স্বৰ্গ মৰ্ত্ত্য পাতালত বীৰ আছে যত যত
সমৰত জিনিলো সবাক।
তিনিয়ো লোকৰ মাজে যতেক সুন্দৰী আছে
হৰি আনি আছোহো লঙ্কাক।।
শঙ্কৰে সহিতে মই কৈলাসক তুলি লৈলো
সুৰাসুৰে মোক কৰে সেৱ।
ব্ৰহ্মা বিষ্ণু মহেশ্বৰ এই তিনি ব্যতিৰেকে
মোক উপাসয় যত দেৱ।।
ত্ৰৈলোক্যৰ ৰাজা যত সেৱৈ মোৰ চৰণত
মই ৰাজা তিনিয়ো লোকৰ।
তোক হৰি লঙ্কা নিবো স্বামী দেৱতাক তোৰ
মাৰি পেষো যমৰ নগৰ।।
ৰামৰ চৰিত্ৰ পদ শুনিয়োক সভাসদ
মৰণক আগত নেদেখা।
তিলে তিলে টুটে আয়ু কৈত পৰে প্ৰাণ বায়ু
জীৱনৰ জলৰ যেন ৰেখা।।

যত দেখা বন্ধু ধন সবে মিছা অকাৰণ
মায়ায়ে কৰিলে এক ঠাই।
মৰি যাইবা একতিলে কাল-অজগৰে গিলে
ৰাম নাম বিনে গতি নাই।।
শাস্ত্ৰৰ বুজিয়ো মজ্জা নামেসে দেৱৰ ৰাজা
নামেসে কৰিবে পৰিত্ৰাণ।
কলিত লভিবা গতি নামত কৰিয়ো ৰতি
নাহি আন নামৰ সমান।।
ৰামত কৰিয়ো আশ চৰণত লৈয়ো বাস
তেজা ছাৰ ভাসভুস কাম।
মাধৱ কন্দলি কবি ৰামৰ চৰিত্ৰ ছবি
ৰচিলন্ত বোলা ৰাম ৰাম।।

কঠিন শব্দৰ অৰ্থ ঃ

স্বৰ্গপুৰ — সুৰলোক, দেৱতা আৰু পুণ্যবন্ত লোকৰ বাসস্থান
ঝঙ্কাৰিয়া — জোঁকাৰি, অৰ্পণ কৰি
সকালে — সোনকালে
ভেদি — ভেদ কৰি
নিৰোধিবো — বাধা দিব, বন্ধ কৰিব
মুদিবোহো — জপাই দিব, বন্ধ কৰিব
বিদাৰিবো — ফালিব, বিদীৰ্ণ কৰিব, দুফাল কৰিব
তুষিবোহো — সন্তুষ্ট কৰিব
নিদলিবো — মাৰিব, পিহিব, নাশ কৰিব, ধ্বংস কৰিব
সাফলিয়া — সফল কৰি
বাসৱ — ইন্দ্ৰ
অমৰাৱতী — ইন্দ্ৰৰ ৰাজধানী
বৰুণ — পানীৰ অধিপতি দেৱতা
নাগপাশ — ৰণত শত্ৰুক বন্ধা সাপৰ নিচিনা জৰি
সুৰাসুৰ — দেৱতা আৰু অসুৰ
পেযো — পঠিওৱা
টুটে — শেষ হ
মজ্জা — মূল, সাৰ, তত্ত্ব
তেজা — ত্যাগ কৰা
ছাৰ — সামান্য, তুচ্ছ, নীচ

ভাসভুস — কামনা-বাসনা, লাহ-বিলাহ

শাস্ত্র — ধর্মগ্রন্থ। চৈধ্য শাস্ত্র হ'ল— শিক্ষা, কল্প, নিৰুক্ত, জ্যোতিষ, ছন্দ, ব্যাকৰণ, মীমাংসা, ন্যায়, দণ্ড, আয়ুর্বেদ, স্মৃতি, গন্ধর্ব, ধনুর্বেদ আৰু কাব্য।

মায়া — বিষ্ণুৰ এক বিশেষ শক্তি, যি শক্তিৰ বলত সৃষ্টিকার্য বর্তি আছে। মায়াৰ শক্তি দুটা— আৱৰণ আৰু বিক্ষেপণ।

৩.৪.২ পাঠৰ কথাবস্তুৰ পৰিচয়

আপোনাৰ নিশ্চয় এই কথা অৱগত যে মাৰীচে স্বর্ণ মৃগৰ শৰীৰ ধাৰণ কৰি সীতাক প্রলুব্ধ কৰে আৰু সীতাৰ অনুৰোধ টলাব নোৱাৰি ৰামে স্বর্ণ-মৃগ ধৰিবলৈ বুলি মৃগক অনুসৰণ কৰি বনলৈ গমন কৰে। পাছত মাৰীচে আকৌ ৰামৰ কণ্ঠস্বৰেৰে লক্ষ্মণক আহ্বান কৰাত সীতাৰ নিন্দাবাণী সহিব নোৱাৰি লক্ষ্মণ ওলাই যায়। সেই সুযোগতে ৰাৱণে ছদ্মবেশ ধাৰণ কৰি তপস্বীৰ বেশেৰে সীতাৰ ওচৰ পাই নানা প্রলোভনেৰে সীতাক ৰাৱণকে পতি হিচাপে গ্রহণ কৰিবলৈ আহ্বান জনায়। কিন্তু সীতাৰ পৰা কটূক্তি শুনাত ৰাৱণে খণ্ডত জ্বলি-পকি উঠি মদগর্বী ভাষাৰে আত্মশ্লাঘা কৰিবলৈ লয়। তাৰ মাজেদি ৰাৱণ চৰিত্রৰ এটি প্রধান দুর্বলতা প্রকাশিত হৈছে।

কন্দলি-*ৰামায়ণৰ অৱণ্যকাণ্ডত ৰাৱণৰ অহঙ্কাৰ* শিৰোনামত ৰাৱণৰ চৰিত্রৰ এটি আভাস দাঙি ধৰা হৈছে। ৰাৱণে সীতাৰ মন পাবলৈ নাৰীমনস্তত্ত্বৰ জ্ঞানৰ অভিজ্ঞতাৰে আগবঢ়া পৰিলক্ষিত হয়। ৰাৱণে ত্রিলোক বিজয়ী বুলি বীৰত্বৰ গৌৰৱেৰে, চৈধ্যশাস্ত্র আৰু চৌষষ্ঠি কলাৰ জ্ঞানৰ পাণ্ডিত্য আৰু শিল্পকলাৰ গৌৰৱেৰে, জগতৰ সুন্দৰী নাৰীগণক দাসী কৰি সীতাক পটেশ্বৰীৰ আসন দিয়াৰ প্রলোভনেৰে, জীৱন-যৌৱনৰ ক্ষণভঙ্গুৰতা আৰু বনবাসী ৰামৰ সৈতে জীৱন-যাপন কৰি তাক নিষ্ফল হোৱাৰ কথাৰ বুজনিৰে আৰু লঙ্কাৰ ভোগ-বিলাসৰ প্রলোভনেৰে সীতাৰ মন ভুলাবলৈ চেষ্টা কৰিছিল। কিন্তু সতী-সাধ্বী সীতাৰ পৰা কটূক্তি শুনাত ৰাৱণে সীতাৰ আগত অহঙ্কাৰপূর্ণ উক্তি কৰিবলৈ ধৰে। এই আত্মশ্লাঘাপূর্ণ কথাখিনিয়েই *ৰাৱণৰ অহঙ্কাৰ* কাব্যাংশত বর্ণনা কৰা হৈছে।

আকাশত পুষ্পক ৰথত থাকি ৰাৱণে ধনুৰে যুদ্ধ কৰিব আৰু নিজৰ শক্তিৰে স্বর্গলোক ভ্রমণ কৰিব। পৃথিৰীক আঁজুৰি জলৰ তললৈ পঠিয়াব আৰু পর্বতক তুলি ধৰিব। প্রকৃতিৰ শক্তি বা দেৱগণৰ কার্যত নিজৰ শক্তিৰে বাধা দিব। বায়ুৰ পথ ভেদি সূর্য-চন্দ্রৰ গতি ৰোধ কৰিব। নাগলোক ধ্বংস কৰি পাতাল বিদীর্ণ কৰিব, সাত সাগৰক শুহি নাইকীয়া কৰিব। বৈৰীগণক ধ্বংস কৰি বন্ধুবর্গ আৰু ৰাক্ষস কুলক সন্তুষ্ট কৰিব। অগ্নিৰ দৰে জ্বলি ত্রিলোক উচ্ছেদ কৰিব। দেৱগণৰ অহঙ্কাৰ নাশ কৰিব। যমক পৰাস্ত কৰিব, ইন্দ্রৰ অমৰাৱতী ধ্বংস কৰি বৰুণক জিনি নাগপাশ কাঢ়ি ল'ব। গতিকে, দেৱগণে যুদ্ধত ৰাৱণক হৰুৱাব নোৱাৰে বুলি ৰাৱণে সীতাৰ আগত নিজৰ বীৰত্ব প্রকাশ কৰিছে, কিয়নো সাধাৰণ নাৰীৰ পুৰুষৰ বীৰত্বৰ প্রতি দুর্বলতা থাকে। গতিকে, নাৰীমনস্তত্ত্বৰ

জ্ঞানেৰে পুষ্ট ৰাৱণে সীতাৰ মন ভুলাবলৈ এইদৰে আত্মশ্লাঘাপূর্ণ উক্তি কৰিব ধৰে। ৰাৱণে বল-বিক্রমেৰে ককায়েক কুবেৰৰ পৰা ৰাজ্য আৰু বিমান কাঢ়ি লয়। তেনেদৰে ত্রিলোকৰ ৰজাসকলক যুদ্ধত হৰুৱাই ভোগ্য সামগ্রীসমূহ হৰণ কৰিছে; ত্রিভুবন-সুন্দৰী ৰমণীগণক হৰি লঙ্কাত ভোগৰ সামগ্রীৰ দৰে ৰাখিছে। যথা—

"তিনিয়ো লোকৰ মাজে যতেক সুন্দৰী আছে
হৰি আনি আছোহো লঙ্কাক।।"

ব্রহ্মা, বিষ্ণু, মহেশ্বৰ বাদে সকলো দেৱাসুৰে ৰাৱণৰ সেৱা কৰে। আনকি ৰাৱণে বাহুবলেৰে মহেশ্বৰ সৈতে কৈলাস পর্বতক তুলি ধৰিছিল। জগতৰ সকলো ৰজায়ে ৰাৱণৰ চৰণত সেৱা কৰে। তেনেস্থলত মনুষ্য ৰামে ৰাৱণৰ একো কৰিব নোৱাৰে। ৰামক যমৰ ৰাজ্যলৈ পঠাই সীতাক হৰণ কৰাৰ ভয় খুৱাই ৰাৱণে সীতাৰ আৱেগৰ লগত খেলিবলৈ ধৰিলে। যথা—

"তোক হৰি লঙ্কা নিবো স্বামী দেৱতাক তোৰ
মাৰি পেযো যমৰ নগৰ।।"

এইদৰে ৰাৱণে ভয়-ভীতি প্রদর্শন কৰি ভোগ-বিলাস আৰু বীৰত্বৰ কথাৰে সীতাৰ আগত অহঙ্কাৰ ভাব প্রকাশ কৰে।

ইয়াৰ পাছত নৱবৈষ্ণৱ কবিৰ কাব্যসুলভ উপদেশেৰে লোক সমাজক উপদেশ দিয়া হৈছে। এইখিনি হয়তো *কথা-গুৰুচৰিত*ত উল্লেখ থকা মাধৱদেৱৰ 'আঁচুফুল' হ'ব পাৰে। তিল্‌তিল্‌কৈ জীৱনৰ আয়ু শেষ হৈ আহিছে, গতিকে জীৱন যেন কচুপাতৰ পানীৰ দৰে ক্ষণস্থায়ী। মায়াৰ বশৱর্তী মানুহে ধন-জন-বন্ধু-বান্ধৱকে সকলো বুলি ভাবে যদিও সকলো অনর্থক। কালস্বৰূপ অজগৰে জীৱন গিলি আহিছে, ক্ষন্তেকতে মৰণ মিলিব। শাস্ত্রৰ সাৰবাণী মতে, নামেইহে আমাক পৰিত্রাণ কৰাব পাৰে, নামেই দেৱতাৰ ৰজা। নামেহে কলিকালত গতি দিব পাৰে। নামৰ সমান কলি কালত আন একো হ'ব নোৱাৰে। সংসাৰৰ কামনা-বাসনাযুক্ত তুচ্ছ কামবোৰ এৰি ৰামৰ চৰণত আশ্রয় ল'বলৈ উপদেশ দিছে। অর্থাৎ ৰাম চৰিত্রৰ আদর্শত জীৱনত ত্যাগ আৰু বৈৰাগ্যৰ পথেৰে আগবাঢ়িবলৈ কোৱা হৈছে।

নাম-মাহাত্ম্য প্রকাশ কৰাটো সাধাৰণতে প্রাক্-শঙ্কৰী যুগৰ সাহিত্যত দেখা নাযায়। শঙ্কৰী যুগতহে নৱবৈষ্ণৱ ধর্মত নাম-মাহাত্ম্য বহুলভাৱে দাঙি ধৰা হৈছে। গতিকে, নৱবৈষ্ণৱ ধর্মৰ আধ্যাত্মিক দর্শন ইয়াত প্রকাশ হোৱালৈ চাই কথাখিনি প্রক্ষিপ্ত যেন ধাৰণা হয়।

৩.৪.৩ মাধৱ কন্দলিৰ অনুবাদ-ৰীতি

মাধৱ কন্দলিয়ে *ৰামায়ণ* অনুবাদ কৰা সময়ত তেওঁৰ সন্মুখত আদর্শ স্বৰূপ অনুবাদ-কর্ম নাছিল। কন্দলিয়ে অসমৰ জনগণে বুজিব পৰাকৈ, জনগণৰ বিদ্যা-বুদ্ধি আৰু

ৰুচিৰ প্ৰতি লক্ষ্য ৰাখি মৌলিকভাৱে অনুবাদ-ৰীতি নিৰ্ধাৰণ কৰি লয়। এই অনুবাদ-নীতি আছিল বিংশ শতিকাত প্ৰসিদ্ধি লাভ কৰা যোগাযোগমূলক নীতিৰ অনুৰূপ। স্থান-কাল-পাত্ৰৰ উপযোগীকৈ অনুবাদ কৰাত যোগাযোগমূলক অনুবাদ-নীতিত গুৰুত্ব আৰোপ কৰা হয়। ইয়ে কন্দলিৰ মৌলিক সৃজনাত্মক প্ৰতিভাৰ স্বাক্ষৰ বহন কৰে। কন্দলিয়ে যি অনুবাদ-ৰীতিৰে *ৰামায়ণ* অনুবাদ কৰিলে, তাৰ প্ৰভাৱ পৰৱৰ্তী কালৰ অনুবাদকসকলৰ অনুবাদ-কৰ্মত দেখা যায়। শঙ্কৰদেৱ, মাধৱদেৱ, দুৰ্গাবৰ, অনন্ত কন্দলি, ৰঘুনাথ মহন্ত আদিৰ ৰচনাত তাৰ প্ৰভাৱ দৃষ্টিগোচৰ হয়। কন্দলিয়ে অনুবাদ-নীতি সম্পৰ্কে *ৰামায়ণত* নিজে ঘোষণা কৰি গৈছে—

1) *বাল্মীকি ৰচিলা শাস্ত্ৰ গদ্য পদ্য ছন্দে।*
তাহাক বিচাৰ আমি কৰিয়া প্ৰৱন্ধে।।
আপোনাৰ বুদ্ধি অৰ্থ সিমত বুজিলোঁ।
সংক্ষেপ কৰিয়া তাক পদ বিৰচিলোঁ।।
সমস্ত ৰসক কোনে জানিবাক পাৰে।
পক্ষীসৱ উৰয় যেন পাখা অনুসাৰে।।
কবিসৱ নিবন্ধয় লোক ব্যৱহাৰে।
কতো নিজ কতো লম্ভা কথা অনুসাৰে।।
দেৱবাণী নুহি ইটো লৌকিক হে কথা।
এতেকে ইহাৰ দোষ নলৈবা সৰ্বথা।। (*কিষ্কিন্ধ্যাকাণ্ড*, 3991–93)

2) *পুস্তক বিচাৰি যেবে তৈত কথা নপৱাহা*
তেৱে সবে নিন্দিবা আমাক। (*লঙ্কাকাণ্ড*, 6711)

3) *কবিৰাজ কন্দলিযে আমাকেসে বুলিৱয়*
কৰিলোহো সৰ্বজনবোধে। (*লঙ্কাকাণ্ড*, 6710)

4) *সপ্তকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলোঁ*
লম্ভা পৰিহৰি সাৰোধৃতে।
মহামাণিক্যক বোলে কাব্যৰস কিছো দিলোঁ
দুগ্ধক মথিলে যেন ঘৃত।। (*লঙ্কাকাণ্ড*, 6685)

মাধৱ কন্দলিয়ে নিজে ঘোষণা কৰা ৰীতিৰ পৰা অকণো আঁতৰি যোৱা দেখা নাযায়। কন্দলিয়ে ঘোষণা কৰাৰ দৰেই বাল্মীকি *ৰামায়ণৰ* সাৰখিনিহে গ্ৰহণ কৰি লোকৰুচিৰ অনুকূলে বঢ়া-টুটা কৰিছে। উদাহৰণ স্বৰূপে, চিত্ৰকূটৰ বৰ্ণনালৈ আঙুলিয়াব পাৰি। মূলতঃ সাতোটা কি আঠোটা শ্লোকত চিত্ৰকূটৰ নৈসৰ্গিক শোভাৰ ছবি চিত্ৰিত কৰিছে। কিন্তু কন্দলীয়ে থলুৱা পৰিৱেশ সৃষ্টি কৰিবলৈ অসমৰ গছ-গছনি, চৰাই-চিৰিকটি আদিৰ নাম সুমুৱাই দি বিস্তৃত বৰ্ণনা দাঙি ধৰিছে। পাঠক-শ্ৰোতাৰ উপযোগীকৈ (লোক-

ব্যৱহাৰে, সর্বজনবোধে) স্থানীয় ৰহণ সানি অনুবাদ-কর্ম মৌলিক আৰু অনুপম কৰি তুলিছে। নিজে *ৰামায়ণত* প্রক্ষিপ্ত কথা সংযোগ কৰা নাই বুলি ঘোষণা কৰিছে, অথচ লোক-জীৱনৰ দুই-এটা কথা সংযোজন কৰি দায়-দোষ এৰাই থৈছে এইদৰে— "মহামাণিক্যক বোলে কাব্যৰস কিছো দিলোঁ।" মন কৰিবলগীয়া কথা যে এনে ধৰণে সংযোজন কৰা কথাই বাল্মীকি-*ৰামায়ণক* বিকৃত কৰা নাই, বৰং অসমীয়া *ৰামায়ণক* জনগণৰ বেছি ওচৰ চপাই নিছে।

বিশিষ্ট পণ্ডিত শশী শর্মাই কৈছে, "বাল্মীকি-*ৰামায়ণৰ* পঢ়ুৱৈ মাত্রেই জানে যে বাল্মীকিৰ ৰচনা বহু ক্ষেত্রত শিশুৰ মাত-কথাৰ সদৃশ পেনপেনীয়া, একে কথাকে বাৰে বাৰে দোহাৰি থাকে। বাল্মীকিৰ প্রায় সমগ্র *ৰামায়ণতে* এনে পুনৰুক্তিপূর্ণ ভাষা-ৰীতি দেখা যায়। উদাহৰণ স্বৰূপে, ৰামৰ অভিষেকৰ আয়োজন আৰু কৈকেয়ীৰ বৰ লাভ... প্রসঙ্গৰ বর্ণনালৈয়ে আঙুলিয়াব পাৰি। ৰামৰ অভিষেক প্রসঙ্গত দশৰথে সুমন্ত্রৰ দ্বাৰা ৰামক ৰাজসভালৈ দুবাৰো মতাই অনাইছে, সেই একে সময়তে আৰু কৈছেও সেই একেবোৰ কথাকে। কন্দলিয়ে বাল্মীকিৰ গোটেইখিনি কথা আত্মস্থ কৰি লৈছে আৰু মাথোঁ এটা প্রসঙ্গতে সমগ্র বক্তব্য নিচেই কম কথাতে দাঙি ধৰিছে। ...প্রায় একে কথাকে দেখা যায় কৈকেয়ীৰ বৰ লাভৰ প্রসঙ্গতো। বাল্মীকি-*ৰামায়ণত* এই প্রসঙ্গটো চাৰিটা অধ্যায়ত প্রায় আঢ়ৈশ শ্লোকৰ মাধ্যমত প্রকাশ পাইছে, দশৰথে কৈকেয়ীক ককর্থনা কৰিছে, গালি-গালাজ পাৰিছে, দুখ-শোকত বাৰে বাৰে বিব্রত হৈছে, মূর্চ্ছাও গৈছে। কন্দলিয়ে এই প্রসঙ্গটো প্রায় সকলোখিনি কথাকে আত্মস্থ কৰি লৈছে আৰু মূল ভাবার্থ মাথোঁ বাইশটা পদত প্রকাশ কৰিছে। ই সামান্য কথা নহয়। কাৰণ কন্দলিয়ে ক'তো মূল ভাব বিকৃতও কৰা নাই আৰু বক্তব্যও অস্পষ্ট কৰা নাই। কন্দলিৰ ৰচনাত পুনৰুক্তি বুলিবলৈ সমূলি একো নাই, কেৱল নতুনৰ পৰা নতুনলৈ গতি কৰিছে। ইয়ে তেওঁৰ *ৰামায়ণক* মৌলিকৰ সদৃশ উপভোগ্য কৰি তুলিছে। এনে অনুপম কাব্য-ৰীতি... হেতুকে কন্দলি-*ৰামায়ণ* বাল্মীকি-*ৰামায়ণতকৈ* বেছি উপভোগ্যহে হৈ উঠিছে।"

কন্দলি-*ৰামায়ণৰ* এনে ভাষা-নীতিয়ে কন্দলিৰ অনুবাদ-কর্মক মহত্ব প্রদান কৰিছে। তেনেদৰে শব্দ-নির্বাচনৰ ক্ষেত্রতো কন্দলিয়ে মৌলিক প্রতিভাৰ পৰিচয় দিছে। বাল্মীকিৰ বহু শব্দ বাদ দি কন্দলিয়ে যথোপযুক্ত শব্দ চয়ন কৰিছে। উদাহৰণ স্বৰূপে, বাল্মীকিৰ বর্ণনা অনুসৰি লঙ্কাত বিজয়ী হৈ হনুমানে 'সিংহনাদ' কৰি আহিছে। অথচ বান্দৰে সিংহনাদ নকৰে। সেয়ে, কন্দলিয়ে তাৰ ঠাইত 'ৰিঙ্গ দিল' বুলিহে কৈছে। সাগৰৰ ইপাৰে থকা বানৰবিলাকে 'কিল্ কিল্ ধ্বনি' শুনিছে। গতিকে, ই বেছি স্বাভাৰিক হৈছে।

কন্দলিয়ে বাল্মীকিৰ সর্গ বিভাজন বাদ দি প্রতিটো কাণ্ডক বিভিন্ন অধ্যায়ত ভাগ কৰিছেআৰু বাল্মীকিৰ দুই-তিনিটা সর্গ বা তাতকৈয়ো অধিক সর্গৰ কথা ভাবানুবাদ কৰি একোটা অধ্যায়ৰ মাজতে সামৰিছে। ...তেনেদৰে প্রতিটো কাণ্ডৰ আৰম্ভণি আৰু সমাপ্তি নিজৰ মতে কৰি কাব্যখনিক মৌলিক সদৃশ কৰি তুলিছে। কেতিয়াবা আগৰ

কাণ্ডৰ সমাপ্তিৰ কথা পিছৰ কাণ্ডৰ আৰম্ভণিলৈ, কেতিয়াবা একোটা কাণ্ড কেবাটাও সৰ্গ থাকোঁতে সমাপ্তি ঘটাই কাণ্ডটো তাৰ পৰাই আৰম্ভ কৰি কাব্যখনিক নতুন ৰূপত সজাই তুলিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ কন্দলিৰ অনুবাদ-ৰীতি সম্পৰ্কে এটি পৰিচয়সূচক টোকা প্রস্তুত কৰক। (250টা শব্দৰ ভিতৰত লিখক।)

৩.৪.৪ মাধৱ কন্দলিৰ *ৰামায়ণৰ* বৈশিষ্ট্য

বাল্মীকি হৈছে *ৰামায়ণ* গীতিৰ প্রথম সংগ্রহক। লোকজীৱনত বীৰগাঁথা বা মালিতা হিচাপে প্রচলিত *ৰামায়ণৰ* কাহিনীক বাল্মীকিয়ে পোনপ্রথমবাৰৰ বাবে কাব্যিক ৰূপ প্রদান কৰে। পৰৱৰ্তী কালত ভাৰতবৰ্ষৰ বিভিন্ন ভাষাত ভিন্ন দৃষ্টিভঙ্গীৰে *ৰামায়ণ* ৰচনা কৰা হয়। বিভিন্ন দার্শনিক আৰু ধর্মীয় সম্প্রদায়ে নিজস্ব দৃষ্টিভঙ্গীৰে *ৰামায়ণ* ৰচনা কৰিবলৈ লয়। যেনে— *অধ্যাত্ম ৰামায়ণ, ভুচুণ্ডু ৰামায়ণ, ৰামচৰিত মানস* ইত্যাদি। মাধৱ কন্দলিৰ *ৰামায়ণ* কিন্তু সাম্প্রদায়িক দৃষ্টিভঙ্গীৰে ৰচনা কৰা হোৱা নাই। এই ক্ষেত্রত তেওঁ বাল্মীকিৰ অনুগামী।

অসমীয়া লিখিত ৰামায়ণী সাহিত্যৰ শুভাৰম্ভ কৰে মাধৱ কন্দলিয়ে। পৰৱৰ্তী কালৰ ৰামায়ণী সাহিত্যৰ অনুবাদক দুর্গাবৰ কায়স্থ, শঙ্কৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলি, ৰঘুনাথ মহন্ত ইত্যাদিৰ সাহিত্যত মাধৱ কন্দলিৰ প্রভাৱ পৰা দেখা যায়। গতিকে, কন্দলিৰ *ৰামায়ণৰ* এক বিশিষ্ট স্থান আছে। কন্দলিৰ *ৰামায়ণৰ* বৈশিষ্ট্যসমূহ হ'ল—

1) মাধৱ কন্দলিৰ *ৰামায়ণ* সমগ্র উত্তৰ-পূব ভাৰতৰ প্রান্তীয় ভাষাৰ ভিতৰতেই প্রথম অনূদিত *ৰামায়ণ*।

2) মাধৱ কন্দলিৰ *ৰামায়ণ* বাল্মীকিৰ *ৰামায়ণৰ* প্রায় অবিকৃত ৰূপায়ণ। কন্দলিয়ে বাল্মীকি-*ৰামায়ণৰ* আদর্শ অসমীয়া ৰূপান্তৰত অব্যাহত ৰাখিছে। বাল্মীকিৰ *ৰামায়ণ* মূলতঃ লৌকিক আদর্শৰ। কন্দলিৰ *ৰামায়ণো* লৌকিক আদর্শৰ অনুগামী। যথা— "দৈৱবাণী নুহি ইটো লৌকিকহে কথা।" লৌকিকতাৰ ভেটিতে পৰিৱেশ-পৰিস্থিতি আৰু চৰিত্র অঙ্কন কৰা দেখা যায়। অৱশ্যে কন্দলি বাল্মীকিতকৈও বেছি লৌকিক বুলি ক'ব পাৰি।উদাহৰণস্বৰূপে, বাল্মীকিৰ ৰাম বিনয়ৰ প্রতিমূর্তি। তেনেদৰে লক্ষ্মণ, সীতা, ভৰত আদি চৰিত্রও যথেষ্ট সংযমী। কিন্তু কন্দলিয়ে লোক-জীৱনৰ লৌকিকতাক আশ্রয় কৰি গাঁৱলীয়া যুৱক-যুৱতীৰ দৰে ৰাম-সীতা আদিৰ চৰিত্র অঙ্কন কৰিছে। বনবাসৰ আদেশ হোৱাৰ প্রাক্ক্ষণত ৰজা দশৰথৰ বিষাদ-বিমর্ষতা দেখি কন্দলিৰ ৰামে যি আত্মশ্লাঘা আৰু দাম্ভিকতাৰে কথা কৈছে, সি বাল্মীকিৰ ৰামৰ সম্পূর্ণ বিপৰীত। যথা—

"বাপৰ ইন্দ্রক প্রতি ভৈল ক্রোধমন।
বান্ধিয়া আগত আনি দিবো এতিক্ষণ।।" (*অযোধ্যাকাণ্ড*, 1673)

তেনেদৰে বাল্মীকিৰ *ৰামায়ণত* নথকা কথা বা প্রক্ষিপ্ত কথা কন্দলিয়ে সংযোগ কৰা দেখা নাযায়। মাজে মাজে অৱশ্যে অসমৰ ঘৰুৱা পৰিৱেশ-পৰিস্থিতিৰ চিত্র সংযোগ কৰি স্থানীয় ৰহণ সানিছে 'অসমৰ লোকজীৱনৰ পাঠক-শ্রোতাক' উদ্দেশ্য কৰিহে। তদুপৰি কাহিনীৰ স্বাভাৱিকতা বঢ়োৱাৰ বাবে কন্দলিয়ে বাল্মীকিৰ *ৰামায়ণৰ* ঘটনাক্রমৰ অগা-পিছা কৰা দেখা যায়। উদাহৰণ স্বৰূপে, *অযোধ্যাকাণ্ডৰ* কুঁজী নির্যাতনৰ প্রসঙ্গলৈ আঙুলিয়াব পাৰি। বাল্মীকি-*ৰামায়ণত* দশৰথৰ মৃত্যুৰ পাছত ভৰত-শত্রুঘ্ন মোমায়েকৰ ঘৰৰ পৰা আহি দশৰথৰ অন্ত্যোষ্টিক্রিয়া সম্পাদন কৰাৰ পাছত শত্রুঘ্নই মন্থৰাক নির্যাতন কৰিছে।

কন্দলিয়ে কিন্তু কিছু সলনি কৰিছে। কন্দলি-*ৰামায়ণত* শত্রুঘ্নই মোমায়েকৰ ঘৰৰ পৰা আহিয়েই যেতিয়া গম পালে যে মন্থৰাৰ কূট-পৰামর্শ মতেহে কৈকেয়ীয়ে ৰামক বনবাস দিয়ালে, তেতিয়া খং-ৰাগত হিতাহিত জ্ঞান হেৰুৱাই শত্রুঘ্নই মন্থৰাক নির্যাতন কৰিলে। এই কথাটো বেছি স্বাভাৱিক হোৱা বুলি ক'ব পাৰি। কিয়নো সময়ৰ লগে লগে খং-ৰাগ আদিৰ প্রভাৱ কমি যায়, দশৰথৰ অন্ত্যোষ্টিক্রিয়াৰ পাছত নির্যাতনৰ ঘটনা সংযোগ কৰাতকৈ আগত সংযোগ কৰাত স্বাভাৱিকতা বৃদ্ধি পাইছে।

মুঠতে, কন্দলিয়ে কিছু সালসলনি কৰি আৰু দুই-এটা প্রক্ষিপ্ত কথা সংযোগ কৰিছে যদিও সি বাল্মীকিৰ *ৰামায়ণক* বিকৃত কৰা নাই। সেয়ে, বাল্মীকি *ৰামায়ণৰ* শুদ্ধ পাঠ নির্ণয়ত কন্দলিৰ *ৰামায়ণে* এক গুৰুত্বপূর্ণ ভূমিকা ল'ব পাৰে বুলি পণ্ডিতপ্রবৰ কৃষ্ণকান্ত সন্দিকৈয়ে মত দাঙি ধৰিছে।

3) ভাৰতবর্ষত বাল্মীকি-*ৰামায়ণৰ* তিনিপ্রকাৰৰ পাঠ বা সংস্কৰণ পোৱা যায় বুলি শশী শর্মাই তেওঁৰ গ্রন্থত উল্লেখ কৰিছে— (ক) গৌড়ীয় পাঠ, (খ) দাক্ষিণাত্য অঞ্চলৰ পাঠ আৰু (গ) পশ্চিম-উত্তৰ অঞ্চলৰ পাঠ। প্রতিটো পাঠৰ মাজত কিছু অমিল দেখা যায়। আলোচক সত্যেন্দ্রনাথ শর্মাই বুল্কেৰ আলোচনাৰ সহায়ত তেওঁৰ বিশিষ্ট গ্রন্থ *ৰামায়ণৰ ইতিবৃত্তত* দেখুৱাইছে যে, (1) সীতাৰ মাতৃ মেনকাৰ বৃত্তান্ত, (2) ৰামৰ কূশৰ পাদুকা, (3) ৰামৰ প্রতি তাৰাৰ অভিশাপ, (4) ৰাৱণে বিভীষণক লথিওৱা, (5) কালনেমীৰ বৃত্তান্ত, (6) সম্পাতি-সুপার্শ্বৰ বানৰ সৈন্যৰ মাজত উপস্থিতি, (7) বিভীষণে মাক নিকষা আৰু বিমাতাৰ সন্তান কুবেৰৰ লগত আগধৰি পৰামর্শ কৰিহে ৰামৰ আশ্রয় লোৱা, আদি দাক্ষিণাত্য আৰু পশ্চিম-উত্তৰৰ পাঠত নাই, গৌড়ীয় পাঠতহে আছে।এইবোৰ কাহিনী কন্দলিৰ *ৰামায়ণতো* আছে।সেয়ে, সহজে অনুমান কৰিব পাৰি যে কন্দলিয়ে গৌড়ীয় পাঠৰ অৱলম্বনতহে *ৰামায়ণ* ৰচনা কৰিছিল।"

4) বাল্মীকি-*ৰামায়ণৰ* দৰে কন্দলি *ৰামায়ণো* লৌকিকতাৰ ভেটিত ৰচিত। বাল্মীকিয়ে ৰামক আদর্শ-পুৰুষ হিচাপে অঙ্কন কৰিছে। কন্দলিয়েও বাল্মীকিৰ অনুকৰণত

ৰামায়ণক লৌকিক কাব্য হিচাপে চিত্রিত কৰিছে। অৱশ্যে কন্দলিৰ ৰচনাত বাল্মীকিতকৈ লৌকিকতাৰ পৰশ বেছি। সেয়ে বাণীকান্ত কাকতিয়ে কন্দলিৰ *ৰামায়ণক* বাল্মীকিৰ গাঁৱলীয়া তাঙৰণ বুলি আখ্যা দিছে। উদাহৰণ স্বৰূপে, কুঁজীৰ পটেশ্বৰী হোৱাৰ গুপ্ত বাসনাৰ কথা ক'ব পাৰি। লোকজীৱনত প্রচলিত কিছুমান গুপ্ত কথা নগৰীয়া জীৱনত অশালীন যেন লাগে। কুঁজীৰ বাসনাও তেনে অশালীন যেন লাগিলেও ই লৌকিক জগতৰ আধাৰতে চিত্রিত হৈছে। বাল্মীকিৰ *ৰামায়ণত* উক্ত ঘটনাটো নাই যদিও মাধৱ কন্দলিয়ে লোক সমাজৰ প্রতি লক্ষ্য ৰাখিহে সংযোগ কৰিছিল যেন অনুমান হয়। যেনে—

"বয়সত মই বৰ ভৱতত কৰি।
কামবশ ভৈলে সিটো দোষক নধৰি।।
বিদিতে কুমাৰে যেৱে লাজ কিছু কৰি।
গুপ্তৰূপে তথাপিতো হৈবো পটেশ্বৰী।।" (*অযোধ্যাকাণ্ড*, 2285–86)

তেনেদৰে লোকজীৱনত প্রচলিত লোকাচাৰ, লোকবিশ্বাস, অন্ধবিশ্বাস আদিৰ ছবি *ৰামায়ণৰ* পাতে পাতে কন্দলিয়ে অঙ্কন কৰি গৈছে। এই ক্ষেত্রত শুভ-অশুভ বিষয়ক বিশ্বাসবোৰ আৰু সপোন তত্ত্বৰ কথাকে ক'ব পাৰি। সুগ্রীৱ আৰু বালীৰ যুদ্ধৰ প্রাক্‌মুহূর্তৰ প্রতিকূল প্রাকৃতিক পৰিৱেশ, ৰাৱণৰ মৃত্যুৰ আগে আগে বর্ণনা কৰা প্রতিকূল প্রাকৃতিক পৰিৱেশ, তাৰাৰ অভিশাপ আদিৰ কথালৈ আমি আঙুলিয়াব পাৰো।

5) কন্দলি-*ৰামায়ণৰ* এটি অন্যতম বৈশিষ্ট্য হ'ল— তেওঁ লোক-সমাজৰ আৱশ্যকতাৰ প্রতি লক্ষ্য ৰখা বাবে হয়তো আক্ষৰিক অনুবাদ খুবেই কম কৰিছিল, তাৰ সলনি শ্লোকানুবাদ বা ভাবানুবাদৰ প্রতিহে বেছি গুৰুত্ব দিছিল। কন্দলিয়ে *ৰামায়ণ* অনুবাদ কৰা সময়ত তেওঁৰ সন্মুখত অনুবাদৰ বিশেষ আর্হি নাছিল। তথাপি তেওঁ যি অনুবাদ-ৰীতি গঢ়ি তুলিলে, সি পৰৱর্তী কালৰ শঙ্কৰদেৱ-মাধৱদেৱৰ প্রমুখ্য কৰি বৈষ্ণৱ কবিসকলকো প্রভাৱান্বিত কৰিছিল।গতিকে, অনুবাদ-কর্ম হিচাপে অসমীয়া সাহিত্যত কন্দলি-*ৰামায়ণৰ* পথিকৃৎ ভূমিকা বৰ তাৎপর্যপূর্ণ। তেওঁৰ অনুবাদ-ৰীতি সম্পর্কে আমি ইতিমধ্যে আলোচনা কৰি আহিছোঁহক।

6) কন্দলি-*ৰামায়ণৰ* এটি অন্যতম বৈশিষ্ট্য হৈছে যে কন্দলিয়ে যেতিয়াই সুবিধা পাইছে, তেতিয়াই অসমৰ পৰিৱেশ-পৰিস্থিতিৰ চিত্র *ৰামায়ণত* সুমুৱাই দি স্থানীয় বাতাবৰণৰ সৃষ্টি কৰিছে। ইয়াৰ ফলত অসমৰ জনগণে তাৰ সৈতে আত্মীয়তা স্থাপন কৰাত সহজ হৈ পৰিছে। এই ক্ষেত্রত *অযোধ্যাকাণ্ডৰ* ৰামৰ প্রাসাদৰ বর্ণনা, চিত্রকূটৰ নৈসর্গিক শোভা, ৰাৱণৰ মধুবনৰ বর্ণনা আদিত অসমৰ স্থানীয় পৰিৱেশৰ প্রভাৱ পৰিছে। মূলৰ বর্ণনাতযিবোৰ ফুল-ফল আৰু গছ-গছনিৰ উল্লেখ আছে কন্দলিয়ে তাৰ ঠাইত অসমৰ ফুল-ফল, গছ-গছনিৰ নাম সুমুৱাই দিছে। তেনেদৰে ৰামৰ প্রাসাদৰ বর্ণনাত অসমৰ ঘৰৰ প্রতিচ্ছবিহে ফুটি উঠিছে। বাঁহ, কাঠ, চ'তি, খেৰৰ দ্বাৰা নির্মিত ৰামৰ

প্রাসাদত মণি-মুকুতা সংযোগ কৰা হৈছে। উল্লেখযোগ্য যে, মধ্যযুগৰ অসমত মঠ-মন্দিৰৰ বাহিৰে ঘৰ-দুৱাৰ, ৰাজপ্রাসাদ আদিও বাঁহ, কাঠ, খেৰেৰে নির্মাণ কৰা হৈছিল। গদাধৰ সিংহৰ দিনলৈকে কাঠ-বাঁহেৰে ৰাজপ্রাসাদ নির্মাণ কৰাৰ কথা বুৰঞ্জীত পোৱা যায়। তেনেদৰে, মিৰ্জুমলাই গড়গাঁৱত পোৱা হোলোং ঘৰটোৰ খুঁটা, বেৰ আৰু দুৱাৰত নানান ৰঙীণ ছবি পোৱাৰ কথা বুৰঞ্জীত আছে। মাধৱ কন্দলিয়ে হয়তো অসমৰ ঘৰৰ বেৰত অঙ্কন কৰা ছবিৰ আৰ্হিতেই ৰামৰ প্রাসাদৰ বেৰত অঙ্কন কৰা নানা ছবিৰ কথা উল্লেখ কৰিছে।

7) মাধৱ কন্দলিয়ে *ৰামায়ণৰ* অনুবাদত নিজস্ব অলঙ্কাৰ, ছন্দ আদিৰ সার্থক প্রয়োগ কৰাৰ উপৰি অসমীয়া লোকজীৱনৰ মুখৰ ভাষাক কাব্যিকতা প্রদান কৰি এক উচ্চ কাব্যিক শৈলীৰ প্রৱর্তন কৰি গৈছে। সেয়ে, কন্দলিক 'অসমৰ কালিদাস' বুলি অভিহিত কৰা হয়। পৰৱর্তী কালৰ কবিকূল কন্দলিৰ ভাষাৰ দ্বাৰা প্রভাৱি হৈছিল। কন্দলিৰ ভাষাৰ সামান্য সালসলনি কৰি তাক গীতিময় ভাষাৰে দুর্গাবৰে *গীতি-ৰামায়ণ* ৰচনা কৰিছে। অনন্ত কন্দলিয়েও মাধৱ কন্দলিৰ *ৰামায়ণৰ* 'ভকতীয়া তাঙৰণ'হে কৰিছে, বাকী ভাষাৰ ক্ষেত্রত কন্দলিৰ *ৰামায়ণৰ* ভাষাই সামান্য সালসলনিৰে ঠাই পাইছে।

8) কন্দলিৰ *ৰামায়ণে* অসমীয়া লিখিত সাহিত্যৰ পৰম্পৰা সৃষ্টিত শক্তিশালী ভূমিকা গ্রহণ কৰিছিল। এই ক্ষেত্রত শশী শর্মাৰ মন্তব্য প্রণিধানযোগ্য— "অন্ততঃ ভাষাৰ ভেটিত বিচাৰ কৰিলে দেখা যায় যে কবি মাধৱ কন্দলিৰ *ৰামায়ণ* সেই সকলৰ ৰচনাতকৈ প্রাচীন। শঙ্কৰদেৱে স্বীকৃতি দিয়াৰ দৰে যেন প্রকৃত অর্থত মাধৱ কন্দলি অসমীয়া সাহিত্যৰ 'আদি কবি'। আচলতে মাধৱ কন্দলিৰ *ৰামায়ণৰ* পৰাহে অসমীয়া লিখিত সাহিত্যৰ নিশ্চিত বুৰঞ্জী আৰম্ভ হৈছে। তেওঁ যেন অসমীয়া ভাষা-সাহিত্যৰ ৰৱভেঁটি বান্ধি থৈ গ'ল। আৰু যিহেতু জাতিৰ জাতীয়তাৰ মুখ্য বুনিয়াদ ভাষা-সাহিত্য অর্থাৎ সংস্কৃতিহে, গতিকে মাধৱ কন্দলি অসমীয়া জাতীয়তাৰো অন্যতম প্রৱর্তক স্থপতি।"



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ মাধৱ কন্দলিৰ *ৰামায়ণৰ* বৈশিষ্ট্য সম্পর্কে এটি আলোচনা যুগুত কৰক। (350টা শব্দৰ ভিতৰত লিখক।)

৩.৫ ৰাৱণ চৰিত্রৰ মনস্তাত্ত্বিক বিশ্লেষণ

ৰামায়ণৰ চৰিত্রসমূহৰ বিচাৰ-বিশ্লেষণ এটি জটিল কার্য, কিয়নো চৰিত্রসমূহক একো একোজন ব্যক্তি বুলি নধৰি বহুতে একো একোটা আদর্শৰ প্রতিনিধি বুলিহে ক'ব খোজে। এই

চৰিত্রসমূহে সমাজ-বিৱর্তনৰ ইতিহাস বহন কৰে। সেয়ে, য়ুকোবি, সুকুমাৰ সেন, ৰবীন্দ্রনাথ ঠাকুৰ আদি প্রাচ্য-পাশ্চাত্যৰ পণ্ডিতসকলে *ৰামায়ণক* ৰূপকধর্মী আখ্যান বুলিহে ক'ব খোজে। ৰবীন্দ্রনাথ ঠাকুৰে *ভাৰতবর্ষের ইতিহাসের ধারা* নামৰ প্রবন্ধত *ৰামায়ণৰ* ৰূপকধর্মিতা সম্পর্কে বিস্তৃত ব্যাখ্যা আগবঢ়াইছে। ৰাৱণ চৰিত্রৰ বিচাৰ-বিশ্লেষণৰ ক্ষেত্রত উক্ত দিশসমূহৰ আলোচনাও অতি প্রয়োজনীয়।

পুনৰ আমি শশী শর্মাৰ কথাৰ উদ্ধৃতি আগবঢ়ালোঁ— "ড^{0} ৰেবাৰে কৈছে যে ৰামায়ণে আর্য্যসকলৰ দক্ষিণ ভাৰতত আর্য্য সভ্যতা প্রতিষ্ঠা আৰু বিস্তাৰ আৰু পূর্বানুপ্রচলিত গোপালন ব্যৱসায়ৰ পৰিৱর্তে কৃষি-সভ্যতাৰ স্তৰত উপনীত হোৱাৰ ইঙ্গিত বহন কৰে। সীতা শব্দই নাঙলৰ সীৰলু বুজায়, অনন্যভাৰে ক'বলৈ গ'লে সীতা হ'ল শস্যৰ প্রতীক।...ইন্দ্রই আহি বা বৃত্রাসুৰক বধ কৰি পৃথিৱী শস্যশালিনী কৰা বাৰিধাৰা মুকলি কৰি দিয়ে। বৃত্র বা অহিয়ে বাৰিধাৰা আবদ্ধ কৰি ৰাখে, ইন্দ্রই বজ্র মাৰি মেঘত আবদ্ধ থকা পানী মোকলাই দিয়ে। আর্য্য সভ্যতাই যেতিয়া পশুপালন স্তৰ অতিক্রম কৰি কৃষি সভ্যতাৰ স্তৰলৈ আগবাঢ়ে তেতিয়া কবিৰ কল্পনাৰ পৰশত ইন্দ্র ৰামলৈ ৰূপান্তৰিত হয় আৰু বৃত্রাসুৰ ৰাৱণত পৰিণত হয়। এই প্রসঙ্গত ৰাৱণৰ পুতেক ইন্দ্রজিৎ বা মেঘনাদ নামটোও মন কৰিবলগীয়া।"

ৰবীন্দ্রনাথ ঠাকুৰে 'ৰাৱণ' চৰিত্রত ৰূপকধর্মিতা সম্পর্কে কৈছে— "ৰাৱণে ত্রিজগতক কন্দুৱাই প্রাকৃতিক শক্তিসমূহক (দেৱতাসকলক) কামত খটুৱাই জগতৰ ধন-ঐশ্বর্য আসুৰিক শক্তিৰ সহায়ত অপহৰণ কৰি স্বর্ণলঙ্কাত বস্তুবাদী নাগৰিক সভ্যতা গঢ়ি তুলিছিল। এই ধন-ঐশ্বর্যৰ প্রলোভনৰ দ্বাৰা ৰাৱণে কৃষি সম্পদকো যে আত্মসাৎ কৰিবলৈ চেষ্টা কৰিছিল তাৰ ইঙ্গিত পাওঁ স্বর্ণমৃগৰ দ্বাৰা কৃষিৰ প্রতীক সীতাক প্রলুব্ধ কৰা কার্যত। ধন-স্বর্ণ-ৰৌপ্যৰ মৰীচিকা সৃষ্টি কৰি মাৰীচে সীতাক প্রলুব্ধ কৰে আৰু সেই সুযোগতে বাস্তু সভ্যতাৰ (Material Civilisation) দানৱীয় প্রতিমূর্তি ৰাৱণে কৃষিদেৱী সীতাক অপহৰণ কৰে। অর্থাৎ কৃষি সম্পদকো নিজৰ বশগত কৰিবলৈ চেষ্টা চলায়।"

এই প্রসঙ্গত পণ্ডিত সুকুমাৰ সেনৰ মত প্রণিধানযোগ্য— "আৱেস্তাৰ 'ৱৰণ' শব্দৰ পৰা ৰাৱণ শব্দ হোৱাৰ সম্ভাৱনা দেখা যায়। 'ৱৰণ' মানে নদী বা খৰস্রোতা। কৃষি লক্ষ্মী সীতাক ৰাৱণ স্রোতে উটুৱাই লৈ গৈছিল।"

ৰাৱণৰ নামৰ তাৎপর্য বাল্মীকি *ৰামায়ণৰ উত্তৰকাণ্ডত* এইদৰে আছে—

"যস্মাল্লোকত্রয়ং চৈতদ্ ৰাৱিতম্ ভয়মাগতম্।
তস্মাৎ ত্বং ৰাৱণনাম নাম্না ৰাজন ভৱিষ্যসি।।
দেৱতা-মানুষা-যক্ষা যে চান্যে জগতি তলে।
এৱং ত্বং অভিধাস্যন্তি ৰাৱণং লোক ৰাৱণম।।"

অর্থাৎ যিহেতু তুমি তিনিও লোক কন্দুৱাইছা সেই কাৰণে তুমি ৰাৱণ নামে পৰিচিত হ'বা। দেৱতা, মানুহ, যক্ষ আদি জগতত থকা প্রাণীয়ে জনতাক আর্তৰাৱ কৰোৱা তোমাক ৰাৱণ বুলিয়েই অভিহিত কৰিব।

দেবীপ্রসাদ চট্টোপাধ্যায়ে *Indian Philosophy* গ্রন্থত মত দাঙি ধৰিছে যে পুৰণি ভাৰতবর্ষত ব্রাহ্মণ্যবাদৰ সমর্থকসকলক বোলা হৈছিল দেৱতা আৰু তাৰ বিৰোধীসকলক বোলা হৈছিল ৰাক্ষস। এই বিচাৰত ৰাক্ষস ৰাৱণ আর্য্য সভ্যতা-সংস্কৃতিৰ বিৰোধী আছিল। ৰাৱণ আছিল আর্য্যসকলৰ আদর্শ, ত্যাগ আৰু বৈৰাগ্যৰ সম্পূর্ণ বিপৰীত আদর্শৰে অনুগামী মানুহ। সম্পূর্ণ ভোগবাদী, দেবসর্বস্ববাদী দৃষ্টিৰে ত্রিলোকৰ অধিপতি বুলি স্বেচ্ছাচাৰী জীৱন কটাইছিল। অসীম শক্তিধৰ ৰাৱণে বাহুবলেৰে ত্রিলোক জয় কৰি জগতৰ ভোগ্য বয়-বস্তু, ধন-সোণ, সুন্দৰী নাৰী আদি অপহৰণ কৰি লঙ্কাত বস্তুবাদী আৰু ভোগবাদী সভ্যতাৰ সৃষ্টি কৰিছিল। সেই দিশ লক্ষ্য কৰি সত্যেন্দ্রনাথ শর্মাই কৈছে— "এক কথাত ক'বলৈ গ'লে ৰাম হ'ল ত্যাগৰ মূর্তি আৰু ৰাৱণ হ'ল ভোগৰ মূর্তি।"

ৰাৱণৰ বিশাল ব্যক্তিত্বৰ পতনৰ গুৰিত তেওঁৰ চাৰিত্রিক দোষ বা দুর্বলতা কিছুমান দেখা যায়। ৰাৱণ আছিল অত্যাধিক কামপৰায়ণ ব্যক্তি। জগতৰ সুন্দৰী ৰমণীসকলক হৰণ কৰি আনি লঙ্কাত ভোগৰ সামগ্রীৰ দৰে ৰাখিছিল। বেদৱতী, ৰম্ভা, পুঞ্জিকাস্থলা আদি নাৰীৰ ধর্ষণ কাণ্ডই ৰাৱণৰ যৌন দুর্বলতাৰ কথাকে প্রকাশ কৰে। সীতা হৰণো তাৰ এক পৰোক্ষ উদাহৰণ। 'ৰাৱণৰ অহঙ্কাৰ' শীর্ষক কাব্যাংশত ৰাৱণে সীতাৰ আগত কৈছে—

"তিনিয়ো লোকৰ মাজে যতেক সুন্দৰী আছে
হৰি আনি আছোহো লঙ্কাক।।"

ভোগত মত্ত ৰাৱণে আদর্শগত আৰু নৈতিক জীৱনৰ পৰা আঁতৰি এক স্বেচ্ছাচাৰী জীৱন কটাইছিল। জ্যেষ্ঠসকলৰ প্রতি সন্মান জনোৱা নাছিল। আনকি পাৰিবাৰিক প্রেম-প্রীতিও ৰাৱণৰ বাবে আছিল অর্থহীন। ককায়েক কুবেৰৰ ৰাজ্য বাহুবলেৰে দখল কৰি পুষ্পক ৰথ কাঢ়ি লয়। যথা— "কুবেৰ দদাক যিনি পুষ্পক বিমান নিলো।"

ত্রিলোকৰ দেৱগণ আৰু ৰজাসকলক যুদ্ধত হৰুৱাই ৰাৱণে নিজকে তিনিও লোকৰ অধিপতি বুলি অহঙ্কাৰত মত্ত হৈ দেৱকূলকো গণ্য নকৰা হৈছিল। যথা—

"শঙ্কৰে সহিতে মই কৈলাসক তুলি লৈলো
সুৰাসুৰে মোক কৰে সেৱ।

... ...

ত্রৈলোক্যৰ ৰাজা যত সেৱৈ মোৰ চৰণত
মই ৰাজা তিনিয়ো লোকৰ।"

ৰাৱণে অহঙ্কাৰত মত্ত হৈ ৰামৰ বীৰত্ব আৰু গুণাৱলীক অন্ধৰ দৰে নস্যাৎ কৰাৰ বাবেই ৰাৱণৰ পতন হ'বলৈ ধৰে। ৰাৱণৰ এনে আত্মম্ভৰিতা আৰু আত্ম-সচেতনতাই গ্রীক ট্রেজেডিৰ নায়কৰ দৰে তেওঁৰ জীৱনলৈও ট্রেজিক কাৰুণ্য নমাই আনিছে।

ৰাৱণে নাৰীৰ সঙ্গত থাকি নাৰীৰ মনস্তত্ত্বৰ প্রতি সূক্ষ্মভাৱে মনোযোগ দিছিল যেন ধাৰণা হয়। সেয়ে, সীতাৰ মন প্রলুব্ধ কৰিবলৈ ৰাৱণে নিজৰ বীৰত্বৰ কাহিনী কৈছে। বৰুণ, ইন্দ্র আদি দেৱগণেও ৰাৱণক পূজা কৰে। ত্রিলোকৰ সমস্ত ৰজাই ৰাৱণৰ চৰণত শৰণ লৈছে। গতিকে সাধাৰণ

ৰামে তেওঁৰ একো কৰিব নোৱাৰে। আদিম সমাজত বীৰত্বক যথেষ্ট গুৰুত্ব দিয়া হৈছিল। বীৰ ৰস আৰু শৃঙ্গাৰ ৰসেই সেই সময়ৰ সাহিত্যৰো মূল ৰস আছিল। কিন্তু সীতাই ৰাৱণৰ বীৰত্বৰ প্ৰতি আওকাণ কৰাত ৰাৱণে ভীতি প্ৰদৰ্শন কৰি সীতাক প্ৰৰোচিত কৰিব খুজিছিল—

"তিনিও লোকৰ মাজে যতেক সুন্দৰী আছে
হৰি আনি আছোহো লঙ্কাক।।

... ...

তোক হৰি লঙ্কা নিৰো স্বামী দেৱতাক তোৰ
মাৰি পেষো যমৰ নগৰ।"

এইদৰে বাহুবলেৰে সীতাক হৰণ কৰিহ'লেও লঙ্কালৈ নিব বুলি ভীতিপ্ৰদৰ্শন কৰি ৰাৱণে পাশৱিক আচৰণৰ ইঙ্গিত দিছে। আৰ্য্যসকলে নাৰীক দেৱীৰ মৰ্যাদা দিছিল, তেনেস্থলত ৰাৱণে নাৰীক ভোগৰ সামগ্ৰী জ্ঞান কৰা কথাই ৰাৱণ চৰিত্ৰৰ কামুকতা উদঙাই দিয়ে। নাৰী জাতিৰ প্ৰতি ৰাৱণৰ কোনো শ্ৰদ্ধা নাছিল বুলি ধাৰণা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ পাঠৰ আলমত ৰাৱণ চৰিত্ৰটো বিশ্লেষণ কৰি দেখুৱাওক। (150টা শব্দৰ ভিতৰত লিখক।)



৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্ৰাক্-শঙ্কৰী যুগৰ শ্ৰেষ্ঠ কবি মাধৱ কন্দলিয়ে চতুৰ্দশ শতিকাৰ বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতা লাভ কৰি কাব্য চৰ্চা কৰিছিল।
- মাধৱ কন্দলিয়ে বাল্মীকিকৃত *ৰামায়ণ* অসমীয়ালৈ অনুবাদ কৰি উত্তৰ-পূব ভাৰতৰ ভিতৰতেই প্ৰান্তীয় ভাষাত *ৰামায়ণ* অনুবাদ কৰা প্ৰথম গৰাকী কবি হিচাপে যশস্যা লাভ কৰিছে।
- ভাৰতবৰ্ষত বাল্মীকি-*ৰামায়ণৰ* তিনি প্ৰকাৰৰ পাঠ পোৱা যায়। যেনে— গৌড়ীয় পাঠ, দাক্ষিণাত্য অঞ্চলৰ পাঠ আৰু পশ্চিম-উত্তৰ অঞ্চলৰ পাঠ। গৌড়ীয় পাঠৰ লগত কন্দলিৰ *ৰামায়ণৰ* মিল থকা দেখা যায়।
- মাধৱ কন্দলিয়ে লোক-শিক্ষাৰ উদ্দেশ্যে সৰ্বসাধাৰণৰ উপযোগীকৈ *ৰামায়ণ* অনুবাদ কৰিছিল। অনুবাদৰ ক্ষেত্ৰত আক্ষৰিক অনুবাদতকৈ ভাবানুবাদত বেছি গুৰুত্ব দিছিল। অনুবাদ কৰ্মৰ বাবে কন্দলিয়ে নিজাকৈ নীতি-নিৰ্দ্ধাৰণ কৰিছিল। এই অনুবাদ-নীতি আছিল বিংশ শতিকাত প্ৰসিদ্ধি লাভ কৰা যোগাযোগমূলক নীতিৰ অনুৰূপ।

- *ৰামায়ণৰ* অন্য চৰিত্ৰৰ দৰে ৰাৱণ চৰিত্ৰও এটি ৰূপক চৰিত্ৰ বুলি য়ুকবি, সুকুমাৰ সেন, ৰবীন্দ্ৰনাথ ঠাকুৰ আদি পণ্ডিতসকলে আলোচনা কৰি গৈছে। সাধাৰণ দৃষ্টিৰে চাবলৈ গ'লে ৰাৱণে চৰিত্ৰটো 'ভোগৰ মূৰ্তি' বুলি ক'ব পাৰি।



৩.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

1) দত্তবৰুৱা, হৰিনাৰায়ণ (সম্পা.) (1999); *সপ্তকাণ্ড ৰামায়ণ*; গুৱাহাটী ঃ দত্তবৰুৱা পাবলিচিং কোম্পানী প্ৰাঃ লিঃ।
2) মহন্ত, কেশদা (1984); *অসমীয়া ৰামায়ণী সাহিত্য*, যোৰহাট।
3) লেখাৰু, উপেন্দ্ৰ চন্দ্ৰ (1948); *অসমীয়া ৰামায়ণ সাহিত্য*, গুৱাহাটী।
4) শৰ্মা, শশী (2001); *মাধৱ কন্দলিৰ ৰামায়ণ*, নলবাৰী ঃ জাৰ্ণাল এম্পা'ৰিয়াম।
5) শৰ্মা, সত্যেন্দ্ৰনাথ (2013); *ৰামায়ণৰ ইতিবৃত্ত*, পাণবজাৰ ঃ গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

ইংৰাজী গ্ৰন্থ ঃ

1) Iyengar, K. R. S. (Ed.) (1983); *Asian Variations in the Ramayana*; Sahiyta Akademi.
2) Sen, Sukumar (1980); *The Origin of the Rama Legend*; Rupa & Co.
3) Sarma, S. N. (1970); *Epics & Puranas in Early Assamese Literature*; Gauhati.



৩.৮ অগ্ৰগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ মাধৱ কন্দৰিয়ে *লংকাকাণ্ড*ত আত্মপৰিচয়সূচক ভণিতাত কৈছে... ...শশী শৰ্মাই *কথা-গুৰুচৰিতৰ* প্ৰসঙ্গ দাঙি ধৰি... ...নগাঁও অঞ্চলত থকা কন্দলি মৌজা... ...মহামাণিক্যৰ চতুৰ্দশ শতিকাৰ এখন ফলি... ...।

২নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া লিখিত *ৰামায়ণী* সাহিত্যৰ শুভাৰম্ভ... ...সমগ্ৰ উত্তৰ-পূব ভাৰতৰ প্ৰান্তীয় ভাষাৰ... ...গৌড়ীয় পাঠ... ...লৌকিকতাৰ ভেটিত... ...ভাবানুবাদত বেছি গুৰুত্ব... ...অসমৰ স্থানীয় বাতাবৰণ সৃষ্টি... ...।

৩নং প্ৰশ্নৰ উত্তৰ ঃ কন্দলিৰ সন্মুখত আদৰ্শ স্বৰূপ অনুবাদ-কৰ্ম নাছিল... ...এই অনুবাদ-নীতি আছিল যোগাযোগমূলক নীতিৰ অনুৰূপ... ...কন্দলিয়ে অনুবাদ-নীতি সম্পৰ্কে নিজে *ৰামায়ণত* ঘোষণা কৰি গৈছে... ...।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ৰাৱণ চৰিত্ৰৰ ৰূপকধৰ্মিতা... ...'ৰাৱণ' নামৰ তাৎপৰ্য বাল্মীকি *ৰামায়ণত* এইদৰে আছে... ...চাৰিত্ৰিক দোষ কিছুমান দেখা যায়... ...নৈতিক জীৱনৰ পৰা আঁতৰি...

...অত্যাধিক কামপৰায়ণ... ...ভোগৰ মূৰ্তি... ...নাৰীৰ সঙ্গত থাকি নাৰীৰ মনস্তত্ত্বৰ প্ৰতি সূক্ষ্মভাৱে মনোযোগ দি সীতাৰ মন প্ৰলুব্ধ কৰিবলৈ... ...।



৩.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ প্ৰাক্-শঙ্কৰী যুগৰ শ্ৰেষ্ঠ কবিগৰাকী কোন ? তেওঁৰ সাহিত্য-প্ৰতিভা সম্পৰ্কে এটি আলচ যুগুত কৰক।

প্ৰশ্ন ২ ঃ মাধৱ কন্দলিৰ *ৰামায়ণৰ* বৈশিষ্ট্যসমূহ উল্লেখ কৰি চমুকৈ আলোচনা দাঙি ধৰক।

প্ৰশ্ন ৩ ঃ অনুবাদক হিচাপে মাধৱ কন্দলিৰ প্ৰতিভা বিচাৰ কৰি দেখুৱাওক।

প্ৰশ্ন ৪ ঃ ৰাৱণে সীতাৰ আগত কিদৰে অহঙ্কাৰ প্ৰকাশ কৰিছিল, নিজৰ ভাষাত বুজাই লিখক

প্ৰশ্ন ৫ ঃ অসমীয়া ৰামায়ণী সাহিত্যত মাধৱ কন্দলিৰ *ৰামায়ণৰ* স্থান সম্পৰ্কে এটি নাতিদীৰ্ঘ্য প্ৰবন্ধ যুগুত কৰক।

*** ***** ***